জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২৯/২০২০

# কন্যকা, সীতাজখলা দুগ্ধ সমবায় সমিতি, পাভৈ গ্ৰীণচৰ সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা প্ৰগতিশীল কৃষকৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## সমন্বিত কৃষিৰ উত্তৰণৰ বাবে ৰাজ্য চৰকাৰে হ্ৰস্ব আৰু দীৰ্ঘকালীন আঁচনি ৰূপায়ণৰ পদক্ষেপ ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ আগষ্ট ঃ** আজি ৰাজ্যখনৰ সমন্বিত কৃষিৰ লগত জড়িত কন্যকা বহুমুখী কৃষি পাম, সীতাজখলা দুগ্ধ সমবায় সমিতি আৰু পাভৈ গ্ৰীণচৰ প্ৰগতিশীল কৃষকৰ এটা গোটে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তেওঁৰ চৰকাৰী বাসভৱনত সাক্ষাৎ কৰি ৰাজ্যখনৰ কৃষিৰ লগতে মীন, দুগ্ধ উৎপাদন, হাঁহ-কুকুৰা পালন, বীজ উৎপাদন ইত্যাদিৰ লেখীয়া আনুষংগিক খণ্ডসমূহৰ উত্তৰণৰ বিস্তৃত ৰূপৰেখা সন্দৰ্ভত এক বৈঠকত মিলিত হয়।

বৈঠকত সমন্বিত কৃষকৰ দলটোৰ সদস্যসকলে ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ ৰূপান্তৰেৰে সংশ্লিষ্ট খণ্ডসমূহৰ উৎপাদনত আত্মনিৰ্ভৰশীল হোৱাৰ বিভিন্ন পৰিকল্পনা সম্বলিত এক বিস্তৃত পৰিকল্পনা মুখ্যমন্ত্ৰীক অৱগত কৰে। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডসমূহৰ ক্ষিপ্ৰ বিকাশৰ বাবে সমগ্ৰ ৰাজ্যজুৰি এক হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনা হাতত লোৱাৰ বাবেও প্ৰগতিশীল সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা কৃষকৰ গোটটোৱে মুখ্যমন্ত্ৰীক অনুৰোধ জনায়।

সমন্বিত কৃষি পদ্ধতি অৱলম্বনেৰে নিদৰ্শন দাঙি ধৰা প্ৰগতিশীল কৃষকৰ গোটটোৰ সৈতে আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ সমন্বিত বিকাশৰ বাবে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পৰিকল্পনা ৰূপায়ণ সন্দৰ্ভত ৰাজ্য চৰকাৰে পদক্ষেপ ল'ব বুলি কয়।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ বিকাশ সাধনৰ জৰিয়তেহে ৰাজ্যখনে এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে শক্তিশালী ৰূপত আগুৱাই যাবলৈ সক্ষম হ'ব। যুৱপ্ৰজন্মই কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডই বহন কৰা সম্ভাৱনীয়তাসমূহৰ প্ৰতি আকৰ্ষিত হৈ এই খণ্ডসমূহত আত্মনিয়োগ কৰাৰ দিশত অনুপ্ৰাণিত কৰিব লাগিব। আত্মনিৰ্ভৰ অসমৰ ভেঁটি শক্তিশালী ৰূপত গঢ় দিয়াৰ বাবে সমন্বিত কৃষিখণ্ডত হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন পদক্ষেপ গ্ৰহণৰ ওপৰত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে গুৰুত্ব আৰোপ কৰিছে বুলি উল্লেখ কৰি কন্যকা, সীতাজখলা দুগ্ধ সমবায় সমিতি আৰু পাভৈ গ্ৰীণচৰ দৰে সমন্বিত কৃষি পদ্ধতি অৱলম্বন কৰা পামসমূহে এই দিশত এক উজ্বল নিদৰ্শন দাঙি ধৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডত তেওঁলোকে প্ৰদৰ্শন কৰা নিদৰ্শনেৰে সমগ্ৰ ৰাজ্যজুৰি এই দিশত এক জাগৰণ সৃষ্টিৰ মুখ্যমন্ত্ৰীয়ে পোষকতা কৰে।

আজিৰ এই বৈঠকত কন্যকা বহুমুখী কৃষি পামৰ হৈ বিধায়ক পদ্ম হাজৰিকা, মুখ্যমন্ত্ৰীৰ বিশেষ আয়ুক্ত ৰঞ্জন চক্ৰৱৰ্তী, পাভৈ গ্ৰীণচৰ হৈ নীলম দত্ত, সীতাজখলা দুগ্ধ সমবায় সমিতিৰ অধ্যক্ষ ৰঞ্জীৰ শৰ্মা, উপাধ্যক্ষ পুষ্পধৰ দাস, সৈত্যেন মহন্ত আৰু বিকাশ ভৰালী উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
৩/০৮/২০২০